ব্যাকৰণত ভাষাৰ চাৰিওটা দিশকে সামৰি লোৱা উচিত।

**৪.০৫ ব্যাকৰণ আৰু ভাষাবিজ্ঞান ঃ**

ব্যাকৰণ আৰু ভাষাবিজ্ঞান এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। প্ৰাচীন কালত ব্যাকৰণ আৰু ভাষাবিজ্ঞানৰ অধ্যয়নত মৌলিক পাৰ্থক্য পৰিলক্ষিত হৈছিল যদিও সাম্প্ৰতিক কালত এই দুয়োটাৰ মাজত তত্ত্বৰ পাৰ্থক্যৰ সীমাৰেখা সংকুচিত হৈ পৰিছে। তথাপি দুয়োটাৰে গুণগত আৰু ৰীতিগত কিছুমান পাৰ্থক্য পৰিলক্ষিত হয়। পাৰ্থক্যসমূহ তলত উল্লেখ কৰা হ'ল।

(ক) ব্যাকৰণৰ পৰিসৰ অতি সীমিত। ব্যাকৰণ এখনে ভাষাৰ সহজাত প্ৰবৃত্তি আৰু বৈশিষ্ট্যসমূহক ফঁহিয়াই দেখুৱায়। ভাষাৰ ব্যৱহাৰিক দিশটোৰ প্ৰতিহে লক্ষ্য ৰাখি ভাষাৰ প্ৰচলিত নিয়মবোৰ ব্যাকৰণত দাঙি ধৰে। সাধাৰণতে ব্যাকৰণ এখনত ভাষাৰ লিখিত অৰ্থাৎ মান্যৰূপটোৰহে বিশ্লেষণ থাকে, ভাষাৰ সামগ্ৰিক ৰূপটো পাবলৈ টান হয়। ভাষাৰ নিৰপেক্ষ ৰূপসমূহৰ বিশ্লেষণ বৈয়াকৰণে আওকাণ কৰি চলে।

আনহাতে ভাষাবিজ্ঞানৰ পৰিধি অতি বিস্তৃত। ইয়াত ভাষা এটাৰ জন্ম, বিকাশ, গঠন আদি সম্পৰ্কে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। তদুপৰি ভাষাৰ সামগ্ৰিক দিশটোৰ সম্পৰ্কেও ইয়াত আলোচনা আগবঢ়োৱা হয়। ভাষাবিজ্ঞানীয়ে ভাষাৰ কথিত আৰু লিখিত দুয়োটা ৰূপৰো বিশ্লেষণী তথ্য আগবঢ়ায়। বিশেষকৈ ভাষাবিজ্ঞানীয়ে ভাষাৰ মান্যৰূপৰ উপৰি অন্যান্য আঞ্চলিক ৰূপবোৰৰ বিষয়েও সমানে গুৰুত্ব দিয়ে। এই সন্দৰ্ভত লিওনাৰ্ড ব্লুমফিল্ডে আগবঢ়োৱা উক্তিটো প্ৰণিধানযোগ্য[১৩]। তেওঁৰ মতে — ভাষাবিজ্ঞানীৰ বাবে স্বকীয় উপভাষাবোৰৰ মূল্য যথেষ্ট। এইবিলাকৰ বৈচিত্ৰ্যই তেওঁলোকৰ কামৰ আহিলা যোগায় বাবেই মূল্যৱান নহয়, মান্য আৰু উপমান্য ৰূপৰ উৎপত্তি আৰু স্থানীয় উপভাষাসমূহৰ জৰিয়তে বিচাৰ কৰা সম্ভৱ। ভাষাবিজ্ঞানীৰ কাৰণে এটা ভাষাৰ সকলোবিলাক উপভাষা সমানে মৰ্যাদা সম্পন্ন। ভাষাৰ লিখিত বা মান্য ৰূপত নথকা ভাষাৰ বহু উপাদান উপভাষাৰ মাজতো থাকিব পাৰে। সেয়ে উপভাষা অধ্যয়নৰ যোগেদি ভাষাৰ উপাদানসমূহ পোহৰলৈ আনি মান্যভাষাত প্ৰয়োগ কৰিব পাৰি।

ভাষাবিজ্ঞানত যেনেদৰে ভাষাৰ সামগ্ৰিক ৰূপটো পোৱা যায়, ঠিক তেনেদৰে ব্যাকৰণ এখনত ভাষাৰ এক খণ্ডিত ৰূপৰহে আভাস পোৱা যায়। ভাষা জ্ঞানৰ ক্ষেত্ৰত ব্যাকৰণতকৈ ভাষাবিজ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। ভাষাবিজ্ঞানৰ প্ৰধান কাম হৈছে — ভাষাই মানৱ জীৱনৰ প্ৰয়োজনীয়তাত শৃংখলিত ৰূপ কেনেদৰে পূৰণ কৰে, কি ধৰণে কাৰ্য সাধন কৰে তাৰ বিশ্লেষণ আগবঢ়োৱা। ইয়াত বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহ কেনে ৰূপসিদ্ধ, বাক্যসিদ্ধ আৰু অৰ্থবহ এই কথাৰ পৰ্যালোচনা কৰা হয়।

(খ) ব্যাকৰণ লেখক অৰ্থাৎ বৈয়াকৰণ সদায় সংৰক্ষণশীল। ভাষা এটাৰ সময়ৰ সোঁতত পৰিবৰ্তন হয় যদিও বৈয়াকৰণে কিছু সময়ৰ বাবে ভাষাক নিয়ম-কানুনেৰে বান্ধি ৰাখিব খোজে। অৱশ্যে ব্যাকৰণৰ নীতি-নিয়ম সলনি নকৰিলেও, সময়ৰ সোঁতত ভাষাই নিজে নিয়ম-কানুন সলনি কৰে, বৈয়াকৰণেও তেতিয়া ভাষাক অনুসৰণ কৰিব লগা হয়। কিন্তু ইয়াৰ বিপৰীতে ভাষাবিজ্ঞানীয়ে বৈয়াকৰণৰ দৰে ভাষাৰ নিয়ম-নীতিৰ অধ্যয়ন চলায় আৰু ভাষা সম্পৰ্কে প্ৰকৃত তথ্যৰ যোগান ধৰে। আনহাতে ভাষাৰ পৰিবৰ্তনলৈ লক্ষ্য ৰাখি ভাষাবিজ্ঞানীয়ে ভাষাৰ প্ৰচলিত ৰূপৰ বিষয়ে সময়ে সময়ে অধ্যয়ন চলায়।

(গ) ভাষাবিজ্ঞানীয়ে ভাষাৰ বিশেষ ৰূপৰ পৰা সামান্য ৰূপলৈকে অধ্যয়ন চলায়। আনহাতে ব্যাকৰণত ভাষাৰ এক বিশেষ ৰূপৰহে বিশ্লেষণ কৰা হয়। পৃথিৱীৰ প্ৰতিটো ভাষাৰ গঠন পদ্ধতি সুকীয়া সুকীয়া যদিও ভাষাবিজ্ঞানীয়ে কিছুমান তত্ত্বৰ সহায়ত ভাষাক অধ্যয়ন কৰে। সেয়ে ভাষাবিজ্ঞান সাৰ্বজনীন হ'ব পাৰে। কিন্তু ঐতিহাসিক পৰিবৰ্তনৰ বাবে একে মূলৰ পৰা অহা ভাষাৰ ব্যাকৰণো বেলেগ বেলেগ হ'ব পাৰে। বৰ্তমান ভাষাবিজ্ঞানত ভাষাসমূহৰ বিশ্লেষণ কৰাৰ কাৰণে কিছুমান সূত্ৰ বা তত্ত্ব আবিষ্কাৰ হৈছে, এই আবিষ্কৃত সূত্ৰ বা তত্ত্বৰ আধাৰত ব্যাকৰণকাৰে ভাষাৰ ব্যাকৰণ ৰচনা কৰিলে, সেই ব্যাকৰণসমূহ সাৰ্বজনীন হ'ব পাৰে।

(ঘ) ব্যাকৰণ আৰু ভাষাবিজ্ঞান দুয়োটাৰে ভাষাৰ লগত অংগাংগী সম্পৰ্ক আছে। সাধাৰণতে বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণত তিনিটা কথাৰ ওপৰত নিৰ্ভৰ কৰা হয় — তত্ত্ব বা তথ্য, বিশ্লেষণ প্ৰণালী বা পদ্ধতি আৰু উপস্থাপন ৰীতি। বিজ্ঞানসন্মত এখন ব্যাকৰণ লিখিবলৈ ভাষাৰ গঠন প্ৰণালী জনাটো নিতান্তই প্ৰয়োজন। এটা ভাষাৰ উদ্ভৱ, বিকাশ, স্বৰূপ বা প্ৰকৃতি, প্ৰয়োগৰীতি, গঠন প্ৰণালী আদি ব্যাকৰণৰ সহায়ত জানিব পাৰি। ঠিক তেনেদৰে, ভাষাবিজ্ঞানৰ সহায়তো ভাষাৰ জন্ম, ভাষাৰ উপাদান, প্ৰকৃতি, গঠনপ্ৰণালী আদি সামগ্ৰিক ৰূপৰ পৰ্যালোচনা কৰা হয়।

(ঙ) বৈয়াকৰণ এজনে এটা ভাষাৰ বিষয়ে এখন ব্যাকৰণ প্ৰস্তুত কৰোঁতে সেই ভাষাৰ তত্ত্ব আৰু তথ্যৰ সামগ্ৰিক চিত্ৰখন চকুৰ আগত ভাঁহি থাকিব লাগে। ভাষাবিজ্ঞানীয়ে ভাষাটোৰ বিভিন্ন আঞ্চলিক ৰূপবোৰৰ বিজ্ঞানসন্মত অধ্যয়ন কৰাৰ পাছত এটা মান্যৰূপ নিৰ্বাচন কৰে। বৈয়াকৰণে সেই মান্যৰূপৰ ব্যাকৰণ প্ৰস্তুত কৰে। মান্যৰূপৰ ব্যাকৰণৰ উপৰি উপভাষাৰ ব্যাকৰণ, তুলনামূলক ব্যাকৰণ, ঐতিহাসিক বিৱৰণাত্মক ব্যাকৰণ, পঢ়াশলীয়া ব্যাকৰণ আদি ৰচনা কৰা উচিত।

(চ) বিষয় আৰু পদ্ধতিৰ প্ৰকৃতি অনুসৰি ব্যাকৰণ কেইবা প্ৰকাৰৰো হ'ব পাৰে। যেনে — বৰ্ণনাত্মক ব্যাকৰণ (Descriptive Grammar), ঐতিহাসিক

ব্যাকৰণ (Historical Grammar), তুলনামূলক ব্যাকৰণ (Comparative Grammar), বিৰোধমূলক ব্যাকৰণ (Contrastive Grammar), প্ৰায়োগিক ব্যাকৰণ (Applied Grammar)। ঠিক তেনেদৰে ভাষাবিজ্ঞানকো অধ্যয়নৰ বিষয় আৰু পদ্ধতি অনুসৰি কেইবাটাও শাখাত বিভক্ত কৰা হয়। যেনে — বৰ্ণনাত্মক, তুলনাত্মক, ঐতিহাসিক আদিয়েই প্ৰধান। এইকেইটাৰ উপৰি মনোভাষাবিজ্ঞান, নৃভাষাবিজ্ঞান, সমাজ ভাষাবিজ্ঞান, প্ৰয়োগ ভাষাবিজ্ঞান আদি নতুন নতুন ভাষাবিজ্ঞানৰ অধ্যয়নৰ প্ৰকাৰ পোৱা যায়। [দ্ৰষ্টব্য, পৃ. ১০০-১১৪]

সাম্প্ৰতিক কালত ভাষা শিক্ষণৰ বাবে ব্যাকৰণ আৰু ভাষাবিজ্ঞান দুয়োটাৰেই আৱশ্যক হৈ পৰিছে। ভাষাৰ ব্যৱহাৰিক বাস্তৱ ৰূপটোৰ আভাস দিব পৰা ব্যাকৰণ পুথি বা ভাষাবিজ্ঞান পুথি ভাষাজ্ঞান লাভৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব বুলি ধাৰণা কৰিব পাৰি।

**প্ৰসংগ-টীকা ঃ**

১ 'Philology strictly means the study of a language from the literary point of view' – P. D. Gune : An Introduction to Comparative Philology. P. 1.

২ 'The Science of language, esp. in the historical and comparative aspects'. – Oxford Encyclopaedia Dictionary. P. 778.

৩ 'Linguistics is the Science of language' and a 'Linguist' is 'one who is skilled in the use of language'.– Oxford English Dictionary.

৪ 'Linguistics is a branch of learning which studies the language of any and all human societies, how each such language is constructed, how its various through space and changes time, how it is related to other languages and how it is used by the speakers.' – William G. Mauthon.

৫ Sturtevent : An Introduction of Linguistics Science. P. 7.

৬ 'While the Philologist looked upon language as part of the culture of some nation, the linguist looked upon it as a natural object.' – Otto Jesperson : Language its Nature, Development and Origin. P. 65

৭ 'Language is a natural object, and it study resemble natural history.'- Risk.

৮ 'Most of these rules of grammar have no justification and there is therefore no serious reason for condemming the errors they prescribe. What is correct and what is incorrect is ultimately only a matter of conventions within society.' – Frank Palmer, Grammar,P. 15.

৯ 'Grammar is the practical analysis of a language.' – B. H. Suit.

১০ Otto Jesperson : পূৰ্বোল্লিখিত গ্ৰন্থ।

১১ গোলোকচন্দ্ৰ গোস্বামী ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, পৃ. ১২

১২ সুকুমাৰ সেন ঃ ভাষাৰ ইতিবৃত্ত, পৃ. ২৩

১৩ Bloomfield : Language.